# পুনৰ সংস্থাপনৰ কাৰ্য্য পৰিকল্পনাৰ বাবে কাৰ্য্যবাহী সাৰাংশ, (পেকেজ-এ)

## জখলাবন্ধাত ২২০ কেভি ছিংগল ছাৰ্কিট (এচ/চি) সামগুৰি –মৰিয়ানী লাইন-১ৰ "লাইন ইন, লাইন আউট (লিলো)

**এই প্ৰতিবেদন এছিয়ান ইনফ্ৰাষ্ট্ৰাকচাৰ ইনভেষ্টমেণ্ট বেংকক (AIIB) জমা দিয়া হৈছে**

**জমা দিছে অসম বিদ্যুৎ সংবহন নিগম লিমিটেড, অসম**

এই পুনৰ সংস্থাপন কাৰ্য্য পৰিকল্পনা প্ৰতিবেদন ঋণগ্ৰহণকাৰীৰ নথি আৰু AIIB ৰ পৰিৱেশ আৰু সামাজিক কাঠামো অনুসৰি ৰাজহুৱাভাৱে উপলব্ধ কৰা হৈছে। ইয়াত প্ৰকাশ কৰা মতামতসমূহে এআইআইবিৰ পৰিচালনা সমিতি, পৰিচালনা বা কৰ্মচাৰীৰ মতামতক প্ৰতিনিধিত্ব কৰাটো বাধ্যতামূলক নহয়।

**পৰিপ্ৰেক্ষিত:** ভাৰত চৰকাৰৰ জৰিয়তে এছিয়ান ইনফ্ৰাস্ট্ৰাকচাৰ ইনভেষ্টমেন্ট বেংক (AIIB) ক অসম ৰাজ্যৰ শক্তি সঞ্চাৰণ নেটৱৰ্ক উন্নীতকৰণ আৰু শক্তিশালী কৰাৰ বাবে আৰ্থিক আৰু কাৰিকৰী সহায়ৰ বাবে অনুৰোধ জনাইছে যাতে পাৱাৰ ফৰ অল (PFA) পৰিকল্পনা ৰূপায়ণত সহায় কৰিব পাৰে। "অসম আন্তঃৰাজ্যিক সংবহন ব্যৱস্থা বৃদ্ধি প্ৰকল্প' (AISTSEP) ৰ জৰিয়তে বিদ্যুৎ যোগানৰ নিৰ্ভৰযোগ্যতা বৃদ্ধিৰ বাবে AIIBয়ে দুটা পৰ্যায়ত শক্তি সঞ্চাৰণ বৃদ্ধিৰ সমৰ্থন কৰিছে।

প্ৰথম পৰ্যায়ৰ অধীনত থকা প্ৰকল্পটোত সংশ্লিষ্ট (৩৩২.৯৪৫ কিলোমিটাৰ) ট্ৰেন্সমিছন লাইন (T/L) ৰ লগতে ৪০০কেভি, ২২০কেভি আৰু ১৩২কেভি ভল্টেজ লেভেলত ১০টা নতুন উপকেন্দ্ৰ নিৰ্মাণ, ১৩২/৩৩ কেভি গহপুৰ এ.আই.এছ (Air Insulated Substation) উপকেন্দ্ৰটো ১৩২/৩৩ কেভি জি.আই. এছ (Gas Insulated Substation) উপকেন্দ্ৰলৈ ৰূপান্তৰ কৰা; বৰ্তমানৰ ১৮টা উপকেন্দ্ৰ বৃদ্ধি (পুৰণি ট্ৰেন্সফৰ্মাৰ নতুন ট্ৰেন্সফৰ্মাৰেৰে সলনি কৰা); উচ্চ উষ্ণতাৰ কম ছেগ (HTLS) পৰিবাহীৰ দ্বাৰা ১৮৬ কিলোমিটাৰ ট্ৰেন্সমিছন লাইন বৃদ্ধি কৰা (এক একক চাৰ্কিট (S/C) লাইন আৰু দুটা ডাবল চাৰ্কিট (D/C) লাইনৰ ৰিস্ট্ৰিং কৰা; উপকেন্দ্ৰত বৰ্তমানৰ ৬৩৬ কিলোমিটাৰ ট্ৰেন্সমিছন লাইন আৰু উপকেন্দ্ৰ সঁজুলিৰ বাবে গ্ৰাউণ্ড ৱায়াৰ অপটিকেল পাৱাৰ গ্ৰাউণ্ড ৱায়াৰ (OPGW) লৈ সলনি কৰা।

অসম বিদ্যুৎ সংবহন নিগম লিমিটেড (AEGCL)ৰ দ্বাৰা প্ৰকল্প ব্যৱস্থাপনা পৰামৰ্শদাতা (PMC) হিচাপে পিটি ফিডবেক ইনফ্ৰা লিমিটেড, ইণ্ডোনেছিয়াৰ সহযোগিতাত জেড কনচাল্ট নেপাল আৰু নিপচা, স্পেইনৰ (PT Feedback Infra Limited, Indonesia in Association with Jade Consult Nepal and NIPSA, Spain) সৈতে নিযুক্ত কৰা হৈছে। পেকেজ এ ৰ বাবে ট্ৰেন্সমিছন লাইনৰ বাবে সংক্ষিপ্ত পুনৰ সংস্থাপন কাৰ্য্য পৰিকল্পনা প্ৰতিবেদন (ARAP) প্ৰস্তুত কৰাৰ পৰিসৰ অন্তৰ্ভুক্ত আছে।

**প্ৰকল্পৰ বিৱৰণ:** বৰ্তমানৰপুনৰ সংস্থাপনৰ কাৰ্য্য পৰিকল্পনা (RAP) প্ৰতিবেদনত জাখলাবন্ধা উপকেন্দ্ৰ (পেকেজ-এ) ত 220 কেভি ছিংগল ছাৰ্কিট (এচ/চি) সামগুৰি –মৰিয়নী লাইন-১ৰ "লাইন ইন, লাইন আউট (LILO)" কাম যাৰ দৈৰ্ঘ্য ২.৫৯২ কিলোমিটাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।

| ক্ৰমিক নং | ভূমিৰ প্ৰয়োজনীয়তা আৰু প্ৰকল্পৰ উপাদানসমূহৰ সৈতে জড়িত প্ৰভাৱ | |
|---|---|---|
| ১ | প্ৰকল্পৰ উপাদান | প্ৰস্তাৱিত জাখলাবান্ধা উপকেন্দ্ৰত 220 কেভি ছিংগল ছাৰ্কিট (এচ/চি) সামুগুৰি – মাৰিয়নী লাইন-১ |
| ২ | জিলা/তহচিল স্থান | জাখলাবান্ধা / নগাঁও |
| ৩ | লাইন দৈৰ্ঘ্য (কি.মি.) | ২.৫৯২ কিলোমিটাৰ |
| ৪ | টাৱাৰ ফাউণ্ডেচনৰ সংখ্যা | ১৩টা |
| ৫ | টাৱাৰ বেছ ভূমি প্ৰয়োজনীয়তা (হেক্টৰ) | ০.৪৪ হেক্টৰ |
| ৬ | ৰাইট অব ৱে (RoW)ভূমি প্ৰয়োজনীয়তা (হেক্টৰ) | ৯.০৭২ হেক্টৰ |
| ৭ | অস্থায়ী প্ৰৱেশ পথৰ ভূমি প্ৰয়োজনীয়তা (হেক্টৰ) | ০.৩৩ হেক্টৰ |

**পুনৰ সংস্থাপনৰ কাৰ্য্য পৰিকল্পনা (RAP) ৰ পৰিসৰ আৰু উদ্দেশ্য** : প্ৰস্তাৱিত প্ৰকল্পৰ উপাদান আৰু হস্তক্ষেপসমূহৰ মূল্যায়নৰ ভিত্তিত এইটো স্থাপন কৰা হৈছে যে কোনো স্থায়ী ভূমি অধিগ্ৰহণৰ প্ৰয়োজন নাই, কাৰণ ট্ৰান্সমিছন লাইন প্ৰকল্পত টাৱাৰ ফাউণ্ডেচন বা ৰাইট অব ৱে (RoW) কৰিডৰৰ বাবে ভূমি অধিগ্ৰহণ কৰা নহয়। ভূমিৰ মালিকানা সংশ্লিষ্ট ভূমি মালিকসকলৰ হাতত‌েই থাকিব, আৰু চলিত নিয়ম অনুসাৰে নিৰ্মাণ কাৰ্য সমাপ্ত হোৱাৰ পিছত তেওঁলোকে পুনৰ কৃষিকাৰ্য আৰম্ভ কৰিব পাৰিব। তথাপি, বৈদ্যুতিক সুৰক্ষা ব্যৱস্থা বিবেচনা কৰি টাৱাৰ বেছ এলেকাত কৃষিকাৰ্য নকৰিবলৈ পৰামৰ্শ দিয়া হৈছে।

প্ৰত্যাশিত প্ৰকল্পজনিত প্ৰভাৱসমূহ টাৱাৰ ফাউণ্ডেচনৰ তলৰ সীমিত ভূমি ব্যৱহাৰ আৰু ট্ৰান্সমিছন লাইনৰ ৰাইট অব ৱে (RoW) কৰিডৰৰ ভিতৰত সীমাবদ্ধ। এই প্ৰভাৱসমূহ টাৱাৰ বেছ এলেকাত স্থায়ী আৰু ৰাইট অব ৱে RoW কৰিডৰত অস্থায়ী। ইসমূহ মূলতঃ নিৰ্মাণ কাৰ্যকলাপৰ সৈতে জড়িত, যাৰ ভিতৰত ভূমি বিঘ্নিত কৰা, ষ্ট্ৰিংগিং কাৰ্য, আৰু থিয় হৈ থকা শস্য বা গছ-গছনিৰ সম্ভাৱ্য ক্ষতি অন্তৰ্ভুক্ত।

সংক্ষিপ্ত পুনৰ সংস্থাপন কাৰ্য্য পৰিকল্পনা (ARAP) ৰ এই সংস্কৰণত সাধাৰণ নীতি-নিয়ম, পদ্ধতি আৰু মুঠ প্ৰভাৱিত এলেকাৰ ভিত্তিত অধিকাৰ তালিকা (Entitlement Matrix) উপস্থাপন কৰা হ'ব, য'ত স্বীকাৰ কৰা হৈছে যে নিৰ্দিষ্টভাৱে প্ৰভাৱিত হ'বলগীয়া ব্যক্তি আৰু পৰিয়ালসমূহৰ চূড়ান্ত চিনাক্তকৰণ কৰি পিছলৈ নিৰ্ধাৰণ কৰা হ'ব।

**নীতি, আইনী আৰু প্ৰশাসনিক কাঠামো:** বিদ্যুৎ আইন ২০০৩, ভাৰতীয় টেলিগ্ৰাফ আইন ১৮৮৫, RoW সম্পৰ্কীয় ক্ষতিপূৰণ প্ৰদানৰ বাবে MOP গাইডলাইন, অক্টোবৰ ২০১৫ আৰু অসম চৰকাৰৰ শক্তি (বিদ্যুৎ) বিভাগ, দিছপুৰ, গুৱাহাটী-৬ আৰু ভাৰত চৰকাৰৰ শক্তি মন্ত্ৰালয়ৰ নতুন গাইডলাইন (Ref No. 3/4/2016-Trans-Part (4) dated 14.06.2024) আৰু অসম চৰকাৰৰ শক্তি বিভাগ দিছপুৰ, গুৱাহাটী-6 অধিসূচনা (দিছপুৰ, তাৰিখ ০৪-১১-২০২৪)। এই প্ৰকল্পটো এছিয়ান ইনফ্ৰাষ্ট্ৰাকচাৰ ইনভেষ্টমেণ্ট বেংক (AIIB) ৰ আৰ্থিক সহায়ত ৰূপায়িত হোৱাত, বেংকৰ পৰিৱেশ আৰু সামাজিক নীতি (**ই এছ পি**) এই প্ৰকল্পত প্ৰযোজ্য। এছিয়ান ইনফ্ৰাষ্ট্ৰাকচাৰ ইনভেষ্টমেণ্ট বেংক (AIIB) ৰ পৰিৱেশ আৰু সামাজিক নীতি (**ই এছ পি**) অনুসৰি, এই প্ৰকল্পক "শ্ৰেণী- বি" হিচাপে শ্ৰেণীবদ্ধ কৰা হৈছে।

**ই এছ এছ ১** (ESS-1) প্ৰকল্পটোৰ বাবে প্ৰযোজ্য কাৰণ অসামৰিক কামে (Civil Works) সীমিত সংখ্যক সম্ভাৱ্য বিৰূপ পৰিৱেশ আৰু সামাজিক প্ৰভাৱ পেলাব পাৰে। এই প্ৰভাৱসমূহ অভূতপূৰ্ব নহয় আৰু প্ৰকল্পৰ ক্ষেত্ৰতে সীমাবদ্ধ আৰু একেখিনি ট্ৰেন্সমিছন লাইন, পেকেজ- এ ৰ ই এছ আই এ-ই এছ এম পি (ESIA-ESMP) প্ৰতিবেদনত উপস্থাপন কৰা হৈছে।

**ই এছ এছ ২** (ESS-2) প্ৰযোজ্য আৰু সেই অনুসৰি যেতিয়া প্ৰভাৱিত জনসাধাৰণৰ ওপৰত হোৱা প্ৰভাৱক "সৰু" বুলি গণ্য কৰা হয়, অৰ্থাৎ যদি প্ৰভাৱিত লোকসকল শাৰীৰিকভাৱে স্থানান্তৰিত নহয় আৰু তেওঁলোকৰ উৎপাদনশীল সম্পত্তিৰ ১০% তকৈ কম ক্ষতি হয়, তেন্তেপুনৰ সংস্থাপনৰ কাৰ্য্য পৰিকল্পনা (RAP)প্ৰস্তুত কৰা হ'ব।

**ই এছ এছ ৩** (ESS-3) প্ৰযোজ্য হয় যদি প্ৰস্তাৱিত প্ৰকল্প এলেকাত আদিবাসী জনগোষ্ঠীৰ উপস্থিতি থাকে বা সেই এলেকাৰ সৈতে তেওঁলোকৰ সামূহিক সংযোগ থাকে আৰু প্ৰকল্পটোৰ দ্বাৰা তেওঁলোকে প্ৰভাৱিত হোৱাৰ সম্ভাৱনা থাকে। প্ৰস্তাৱিত জাখলাবান্ধা উপকেন্দ্ৰত 220 কেভি ছিংগল ছাৰ্কিট (এচ/চি) সামুগুৰি –মৰিয়নী লাইন-১ লাইনৰ ৰ "লাইন ইন, লাইন আউট (LILO)" ট্ৰেন্সমিছন লাইনৰ প্ৰকল্পটোৰ ক্ষেত্ৰত ই এছ এছ ৩ প্ৰযোজ্য নহয় । যদিও জাখলাবন্ধা ট্ৰান্সমিছন লাইন প্ৰকল্পত সমতল অঞ্চলৰ অনুসূচিত জনজাতি (ST Plains) সম্প্ৰদায়ৰ মুঠ ২০টা পৰিয়াল প্ৰভাৱিত হৈছে । যাৰ ভিতৰত ৪টা পৰিয়াল টাৱাৰ বেছ এলেকাৰ ভূমিৰ বাবে আৰু ১৬টা পৰিয়াল ৰাইট অব ৱে (RoW) কৰিডৰৰ ভূমিৰ বাবে প্ৰভাৱিত, তথাপিও তেওঁলোকৰ আদিবাসী জনগোষ্ঠীৰ স্বতন্ত্ৰ সাংস্কৃতিক, ভাষাগত বা প্ৰতিষ্ঠানগত বৈশিষ্ট্য নাই। তাৰ উপৰিও, উক্ত এলেকা ভাৰতীয় সংবিধানৰ ষষ্ঠ তফচিলৰ অন্তৰ্ভুক্ত নহয়। সেইবাবে, ই এছ এছ ৩ প্ৰযোজ্য নহয়।

প্ৰকল্পৰ সৈতে সম্পৰ্কিত বিভিন্ন নিয়ামক কাঠামোৰ বিষয়ে সবিস্তাৰ তথ্য পেকেজ-এৰ অন্তৰ্গত ট্ৰান্সমিছন লাইন উপাদানৰ মূলপুনৰ সংস্থাপনৰ কাৰ্য্য পৰিকল্পনা (RAP) প্ৰতিবেদনত আলোচনা কৰা

হৈছে।

প্ৰকল্পৰ প্ৰভাৱ:  জখলাবান্ধা উপকেন্দ্ৰত 220 কেভি ছিংগল ছাৰ্কিট (এচ/চি) সামুগুৰি –মৰিয়নী লাইন-১ লাইনৰ "লাইন ইন, লাইন আউট (LILO)"  ট্ৰেন্সমিছন লাইনৰ নিৰ্মাণৰ বাবে কোনো ভূমি অধিগ্ৰহণৰ প্ৰয়োজন নাই। গতিকে প্ৰকল্পটোত কোনো ধৰণৰ ভৌতিক স্থানচ্যুতিৰ আগজাননী দিয়া হোৱা নাই। কিন্তু টাৱাৰ নিৰ্মাণৰ ফলত কিছু সামাজিক প্ৰভাৱ পৰে যিবোৰ থিয় হৈ থকা শস্য/গছ/গাঁথনি হেৰুৱাৰ ক্ষেত্ৰত সাময়িক ক্ষতি।

220 কেভি ছিংগল ছাৰ্কিট (এচ/চি) সামুগুৰি –মৰিয়নী লাইন-১  লাইনৰ ১৩টা টাৱাৰ বেছ স্থাপনৰ বাবে মুঠ ০.৪৪ হেক্টৰ ভূমিত শস্যৰ প্ৰভাৱ সীমিত থাকে। প্ৰতিটো টাৱাৰৰ কেৱল চাৰিটা ভিত্তি অংশতহে প্ৰভাৱ পৰে। মুখ্য প্ৰভাৱ হৈছে ধান খেতিৰ শস্যৰ ওপৰত ক্ষতি।৩৫ মিটাৰ প্ৰস্থৰ ৰাইট অব ৱে (RoW) কৰিডৰৰ (দুয়ো ফালে ১৭.৫ মিটাৰকৈ) মুঠ ২,৫৯২ মিটাৰ দৈৰ্ঘ্য জুৰি প্ৰায় ৯.০৭২ হেক্টৰ ভূমি আৱৰি আছে। এই এলেকাতো সমধৰ্মীভাৱে শস্যৰ ক্ষতি হোৱাৰ সম্ভাৱনা থাকে।

"লাইন ইন, লাইন আউট (LILO)" লাইনৰ বাবে ৰাইট অব ৱে (RoW) কৰিডৰৰ ভিতৰত সম্পন্ন কৰা পুনৰীক্ষণ জৰীপ (চেক চাৰ্ভে) প্ৰতিবেদন অনুসৰি মুঠ ১১৫টা বাঁহ আৰু ৩০টা ফলধাৰী আৰু অ-ফলধাৰী গছ চিনাক্ত কৰা হৈছে। উক্ত লাইনৰ ক্ষেত্ৰত চিনাক্ত কৰা ভূমিখণ্ডত কোনো ধৰণৰ স্থায়ী বা অস্থায়ী নিৰ্মাণ দেখা নাযায়। ক্ষতিপূৰণ কেৱল শস্য ক্ষতিৰ বাবেহে প্ৰদান কৰা হ'ব।

লাইন ইন, লাইন আউট (LILO)" ট্ৰান্সমিছন লাইনৰ বাবে পুনৰীক্ষণ জৰীপ (চেক চাৰ্ভে)  সম্পূৰ্ণ কৰি অনুমোদিত কৰা হৈছে। ১৩টা টাৱাৰ ফাউণ্ডেচন এলেকাৰ বাবে ভূমি-মালিক চিনাক্তকৰণৰ মূল্যায়ন সম্পূৰ্ণ কৰা হৈছে। টাৱাৰ ফাউণ্ডেচন স্থানসমূহৰ বাবে ক্ষতিপূৰণ প্ৰদান প্ৰক্ৰিয়া বৰ্তমান চলি আছে।

কলিয়াবৰ ৰাজহ চক্ৰ কাৰ্যালয়ৰ প্ৰতিবেদন অনুসৰি, অসম বিদ্যুৎ গ্ৰিড নিগম লিমিটেড (AEGCL), সামুগুৰিৰ সহকাৰী মহাপ্ৰবন্ধক (AGM) -এ জাখলাবান্ধা ট্ৰান্সমিছন লাইনৰ টাৱাৰ ফাউণ্ডেচন স্থানসমূহ আৰু ৰাইট অব ৱে (RoW) কৰিডৰৰ বাবে প্ৰভাৱিত ব্যক্তিসকলৰ ক্ষতিপূৰণৰ পৰিমাণ নিৰ্ধাৰণ প্ৰতিবেদন ৯ অক্টোবৰ ২০২৫ তাৰিখে নগাঁও জিলা উপায়ুক্তৰ ওচৰত দাখিল কৰিছে, যাতে ক্ষতিপূৰণ পৰিশোধ কৰা যায়। অনুমোদন প্ৰাপ্ত হ'লে, ২০২৫ চনৰ নৱেম্বৰ মাহৰ শেষলৈকে প্ৰভাৱিত ব্যক্তিসকললৈ ক্ষতিপূৰণ বিতৰণ কৰা হ'ব বুলি আশা কৰা হৈছে।

ট্ৰান্সমিছন লাইনৰ টাৱাৰ ফাউণ্ডেচন এলেকাৰ বাবে ভূমি ৰ প্ৰয়োজনীয়তা ০.৪৪ হেক্টৰ আৰু ট্ৰান্সমিছন লাইনৰ কৰিডৰৰ বাবে ৯.০৭২ হেক্টৰ, আৰু এইটো মূলতঃ তলত উল্লেখ কৰা উপাদানসমূহৰে গঠিত।

• ট্ৰান্সমিছন লাইনৰ বাবে ১৩টা টাৱাৰ ফাউণ্ডেচন স্থান, য'ত সংশ্লিষ্ট ৰাজহ চক্ৰ কাৰ্যালয়ে ভূমি-মালিকসকলৰ চিনাক্তকৰণ সম্পূৰ্ণ কৰিছে।

• ৰাইট অব ৱে (RoW) ৩৫ মিটাৰ প্ৰস্থৰ, যাৰ লাইনৰ দৈৰ্ঘ্য ২.৫৯২ কিলোমিটাৰ আৰু প্ৰায় ৯,০৭২ বৰ্গমিটাৰ অৰ্থাৎ ৯.০৭২ হেক্টৰ প্ৰভাৱিত ভূমি এলেকা অন্তৰ্ভুক্ত হৈছে।

• “প্ৰস্তাৱিত জাখলাবন্ধা উপকেন্দ্ৰত 220 কেভি ছিংগল ছাৰ্কিট (এচ/চি) সামুগুৰি –মৰিয়নী লাইন-১ লাইনৰ "লাইন ইন, লাইন আউট (LILO)" ৰ পথ ২টা গাঁওৰ ভূমি অন্তৰ্ভুক্ত কৰে, যথা: সেকনী পাথাৰ আৰু বৰহোলা।

• বিভিন্ন ধৰণৰ টাৱাৰৰ বাবে প্ৰয়োজনীয় ভূমি এলেকা ক্ৰমঃ এনেধৰণৰ, ডিএ টাইপ টাৱাৰ প্ৰায় ৩৫–৫১ বৰ্গমিটাৰ, ডিবি টাইপ টাৱাৰ প্ৰায় ৪৭–৬৬ বৰ্গমিটাৰ, ডিচি টাইপ টাৱাৰ প্ৰায় ৫০–৭০ বৰ্গমিটাৰ, ডিডি টাইপ টাৱাৰ প্ৰায় ৫৭–৭৯ বৰ্গমিটাৰ।

• "প্ৰস্তাৱিত জাখলাবন্ধা উপকেন্দ্ৰত 220 কেভি ছিংগল ছাৰ্কিট (এচ/চি) সামুগুৰি –মৰিয়নী লাইন-১ লাইনৰ "লাইন ইন, লাইন আউট (LILO)" কাৰ্যৰ বাবে মুঠ ১৩টা টাৱাৰ ফাউণ্ডেচন স্থানৰ ভিতৰত ১১টা স্থানত অস্থায়ী প্ৰৱেশ পথ নিৰ্মাণ কৰিব লাগিব। অৱশিষ্ট ২টা স্থান বিদ্যমান গ্ৰাম্য পথ আৰু পতিত ভূমিৰ জৰিয়তে প্ৰৱেশ কৰিব পাৰি। অধিকাংশ টাৱাৰ ফাউণ্ডেচন স্থান ধান খেতিৰ মাটিত অৱস্থিত। মুঠ প্ৰায় ০.৩৩ হেক্টৰ ভূমি অস্থায়ীভাৱে প্ৰভাৱিত হ'ব, যাৰ মুখ্য প্ৰভাৱ ধান খেতিৰ ওপৰত পৰিব।

• প্ৰৱেশ (এক্সেছ) পথৰ কাষৰ "লাইন ইন, লাইন আউট (LILO)" ট্ৰান্সমিছন লাইনৰ বাবে হোৱা ফচল ক্ষতিৰ ক্ষতিপূৰণৰ পৰিমাণ সংশ্লিষ্ট প্ৰশাসনিক বিভাগে চূড়ান্ত কৰিছে। ৰাজহ বিভাগৰ অনুমোদন লাভ কৰাৰ পিছত EPC কন্ট্ৰাক্টৰে প্ৰভাৱিত ভূমি-মালিকসকলক উক্ত ক্ষতিপূৰণ প্ৰদান কৰিব। তাৰোপৰি, ফচলৰ ক্ষতি কমাব বা পৰিহাৰ কৰিবৰ বাবে টাৱাৰ ফাউণ্ডেচনৰ কাম কাটনি বতৰৰ পিছত নিৰ্ধাৰণ কৰা হ'ব।

• টাৱাৰ বেছ ফাউণ্ডেচন স্থানসমূহ আৰু ৰাইট অব ৱে (RoW) ৰ বাবদ প্ৰভাৱিত ভূমি-মালিকসকলক ক্ষতিপূৰণ প্ৰদান কৰাৰ পিছতপুনৰ সংস্থাপনৰ কাৰ্য্য পৰিকল্পনা (RAP) প্ৰতিবেদনখন পুনৰ সংশোধন আৰু আপডেট কৰা হ'ব।

**অংশীদাৰ আৰু জনমত আৰু তথ্য প্ৰকাশ:** 220 কেভি ছিংগল ছাৰ্কিট (এচ/চি) সামুগুৰি –মৰিয়নী লাইন-১ লাইনৰ "লাইন ইন, লাইন আউট (LILO)" ট্ৰেন্সমিছন লাইনৰ কৰিডৰৰ (ROW) সৈতে সম্পৰ্কিত সকলো গাঁৱত স্থানীয় বাসিন্দাসকলৰ সৈতে সম্প্ৰদায়িক পৰামৰ্শ অনুষ্ঠিত কৰা হৈছে, য'ত একষষ্ঠি (৬১) গৰাকী অংশগ্ৰহণকাৰীয়ে অংশ লৈছিল। এই অংশগ্ৰহণকাৰীসকলৰ ভিতৰত অৰ্থনৈতিকভাৱে দুৰ্বল গোট, মহিলাসকল, দুৰ্বল আৰু সংবেদনশীল গোট, লগতে প্ৰস্তাৱিত ট্ৰেন্সমিছন লাইন পথৰ কাষৰীয়া আন স্থানীয় গাঁওবাসী আৰু গাঁও নেতাসকলো অন্তৰ্ভুক্ত আছিল। এই পৰামৰ্শ সভাসমূহ তলত উল্লেখ কৰা তাৰিখবোৰত অনুষ্ঠিত হৈছিলঃ ১০ এপ্ৰিল ২০২৫, ১১ এপ্ৰিল ২০২৫, ১৪ মে' ২০২৫, ১৫ মে' ২০২৫, ১৮ জুলাই ২০২৫, ১৯ জুলাই ২০২৫ আৰু ২২ জুলাই ২০২৫ তাৰিখে ওপৰোক্ত ট্ৰেন্সমিছন লাইনৰ পথৰ চৌহদত অনুষ্ঠিত হৈছিল। ইয়াৰ বিস্তৃত তথ্য "প্ৰভাৱিত ভূমি-মালিকসকলৰ সামাজিক-আৰ্থিক জৰীপ" শীৰ্ষক অধ্যায়ত উল্লেখ কৰা হৈছে।

টাৱাৰ ফুটিং স্থানৰ বাবে সামাজিক-আৰ্থিক গণনা জৰীপ সকলো প্ৰভাৱিত ব্যক্তি (মুঠ ১৮ জন) ৰ ক্ষেত্ৰত সম্পূৰ্ণ কৰা হৈছে। কিন্তু ৰাইট অব ৱে (RoW) কৰিড'ৰৰ ক্ষেত্ৰত প্ৰকল্প এলেকাত বাস কৰা ৫১ জন ব্যক্তিৰ ওপৰত নমুনা জৰীপ সম্পন্ন কৰা হৈছে। লগতে, ৰাইট অব ৱে (RoW)কৰিড'ৰৰ ভূমি সূচীকৰণ প্ৰতিবেদন ৰাজহ চক্ৰ বিষয়া (Circle Officer) ৰ দ্বাৰা সম্পূৰ্ণ আৰু অনুমোদিত হোৱাৰ পিছত, ২০২৫ চনৰ ডিচেম্বৰ মাহৰ প্ৰথম সপ্তাহৰ ভিতৰত ১০০% গণনা জৰীপ সম্পূৰ্ণ কৰা হ'ব বুলি আশা কৰা হৈছে।

এই আলোচনাৰ প্ৰতিলিপিয়ে এইজিচিএল আৰু ইপিচি ঠিকাদাৰক সঠিক প্ৰয়োজনীয়তা মূল্যায়নৰ বাবে সহায় কৰিব যাতে মানুহে উত্থাপন কৰা বিষয়সমূহ উপযুক্তভাৱে সমাধান কৰাটো নিশ্চিত কৰিব পাৰে। সমগ্ৰ উপ-প্ৰকল্প চক্ৰটোত ধাৰাবাহিকভাৱে পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

প্ৰস্তাৱিত ট্ৰেন্সমিছন লাইন নিৰ্মাণক লোকসকলে আদৰণি জনায়। পৰামৰ্শ প্ৰক্ৰিয়াৰ সময়ত কোনো ডাঙৰ পৰিৱেশ আৰু সামাজিক বিষয় উত্থাপন কৰা হোৱা নাছিল। প্ৰকল্পটোৰে প্ৰভাৱিত কৰা বেছিভাগ মাটিৰ মালিকে ধন পৰিশোধৰ পদ্ধতি, প্ৰকল্পৰ প্ৰভাৱ আৰু পৰিয়াললে কেতিয়া ধন লাভ কৰাৰ আশা কৰিব পাৰে সেই বিষয়ে সুধিছিল। তদুপৰি, অসামৰিক কাম আৰম্ভ হ'লে অদক্ষ কামৰ প্ৰতি অস্থায়ীভাৱে প্ৰকল্প প্ৰভাৱ পৰিয়ালৰ লোকসকলে আগ্ৰহ প্ৰকাশ কৰিছে।
স্থানীয় লোকসকলে প্ৰকল্পৰ কাম কাজ কাৰ্যকৰীকৰণ আৰম্ভ হোৱাৰ বাবে আগ্ৰহেৰে অপেক্ষা কৰি আছে, যাতে তেওঁলোকে তেওঁলোকৰ ক্ষতিপূৰণৰ ধন লাভ কৰিব পাৰে আৰু কিছু নিয়োগ সৃষ্টি কৰাৰ আশা কৰিছে।

সংক্ষিপ্ত পুনৰ সংস্থাপন কাৰ্য্য পৰিকল্পনা (ARAP) ৰ সাৰাংশ (প্ৰাপ্য অধিকাৰৰ তালিকা সহ) স্থানীয় ভাষালৈ (অসমীয়া অথবা প্ৰকল্প এলেকাত প্ৰচলিত সংশ্লিষ্ট জনজাতীয় উপভাষা) অনুবাদ কৰা হ'ব আৰু ইয়াক প্ৰকল্প ব্যৱস্থাপনা একক (PMU) আৰু প্ৰকল্প ৰূপায়ণ একক (PIU) কাৰ্যালয়ত প্ৰকাশ কৰা হ'ব লগতে এই জি চি এলৰ (অসম বিদ্যুৎ গ্ৰিড নিগম লিমিটেড) ৰ ৱেবছাইটতো উপলব্ধ কৰা হ'ব।

ইয়াৰ উপৰিও, পুনৰ সংস্থাপনৰ কাৰ্য্য পৰিকল্পনা (RAP) ৰ ইংৰাজী ভাষাৰ হাৰ্ড কপি তলত উল্লেখিত স্থানসমূহত উপলব্ধ কৰা হ'ব:

এই আলোচনাৰ প্ৰতিলিপিয়ে এইজিচিএল আৰু ইপিচিৰ ঠিকাদাৰক মানুহে উত্থাপন কৰা বিষয়সমূহ
১) **প্ৰকল্প পৰিচালনা ইউনিট** (PMU): প্ৰকল্প সঞ্চালক, ঠিকনাঃ ১ম মহলা, এ ই জি চি এল, বিজুলী ভৱন, যোগাযোগ নং: ০৩৬১-২৭৩৯৫২০, ৱেবছাইট: www.aegcl.co.in

২) **প্ৰকল্প ৰূপায়ণ ইউনিট** (PIU): সহকাৰী মহাব্যৱস্থাপক (AGM) 220/১৩২ কেভি সামগুৰি গ্ৰিড উপ-কেন্দ্ৰ, অসম বিদ্যুৎ গ্ৰিড নিগম লিমিটেড ৱেবছাইট: agm.samaguri@aegcl.co.in

**অভিযোগ নিৰাময় ব্যৱস্থা (জি আৰ এম):** পৰিৱেশগত আৰু সামাজিকভাৱে দায়িত্বশীল ৰূপায়ণ নিশ্চিত কৰিবৰ বাবে এটা বিনামূলীয়া, বহু-স্তৰীয় অভিযোগ নিষ্পত্তি ব্যৱস্থা (GRM) স্থাপন কৰা হ'ব, যাৰ জৰিয়তে প্ৰকল্প-প্ৰভাৱিত লোক বা শ্ৰমিকসকলৰ উদ্বেগ বা অভিযোগসমূহ তৎপৰতাৰে গ্ৰহণ আৰু নিষ্পত্তি কৰা যাব। ইয়াৰ লক্ষ্য হৈছে সমস্যাসমূহ ফলপ্ৰসূভাৱে সমাধান কৰি আইনী মোকৰ্দমাৰ পৰা বিৰত থকা। অভিযোগ নিষ্পত্তি ব্যৱস্থা (GRM) হৈছে এটা বিনামূলীয়া ব্যৱস্থা, য'ত প্ৰকল্প-প্ৰভাৱিত ব্যক্তি (PAPs) অথবা নিৰ্মাণ শ্ৰমিকসকলে দাখিল কৰা অভিযোগ বা উদ্বেগসমূহ নথিভুক্ত কৰা হয় আৰু সেইবোৰ সমাধানৰ চেষ্টা কৰা হয়। এই প্ৰক্ৰিয়াৰ মূল উদ্দেশ্য হৈছে বিবাদসমূহ শীঘ্ৰে সমাধান কৰি আইনী প্ৰক্ৰিয়াৰ প্ৰয়োজনীয়তা কমোৱা আৰু প্ৰকল্প কাৰ্যকলাপসমূহ সুচাৰুৰূপে ৰূপায়ণ নিশ্চিত কৰা।

**GRM ৰ মুখ্য উদ্দেশ্যসমূহ হ'ল:**

- সকলো প্ৰকল্পৰ অভিযোগ নিষ্পত্তিৰ বাবে এক সুলভ, স্বচ্ছ, কাৰ্যক্ষম আৰু পূৰ্বানুমানযোগ্য অভিযোগ নিষ্পত্তি ব্যৱস্থা প্ৰদান কৰা।
- জি আৰ এম জনপ্ৰিয় কৰা আৰু ইয়াক কেনেকৈ বিনামূলীয়াকৈ প্ৰৱেশ কৰিব পাৰি।
- বিভিন্ন সম্ভৱ পদ্ধতিৰে অভিযোগ লাভ কৰা (লিখিত, মৌখিক, ইলেক্ট্ৰনিক, ইমেইল, ছ'চিয়েল মিডিয়া, টেলিফোন, ফেক্স, পৰামৰ্শ বাকচ)
- ভিযোগ নিষ্পত্তিৰ বাবে স্পষ্ট প্ৰক্ৰিয়া স্থাপন কৰা, যিয়ে নিম্নোক্ত বিষয়সমূহ সামৰি লয়:

- জি আৰ এমত পঞ্জীয়নে সকলো অভিযোগ (ক্ষুদ্র আৰু মৌখিককে ধৰি) নথিভুক্ত কৰা।
- অভিযোগকাৰীক প্ৰাপ্তিস্বীকাৰ জনোৱা আৰু নিষ্পত্তিৰ সম্ভাব্য সময়সীমা জনোৱা।
- অভিযোগৰ তদন্ত, অভিযোগকাৰীৰ সমাধানৰ প্ৰস্তাৱ দিয়া আৰু যদি গ্ৰহণযোগ্য হয়
- অভিযোগ বন্ধ কৰা। অথবা অভিযোগটো দ্বিতীয় স্তৰলৈ উন্নীত কৰা, আৰু এই বিষয়ে অভিযোগকাৰীক অৱগত কৰা।
- অভিযোগৰ পুনৰ তদন্ত কৰি সমাধান প্ৰস্তাৱ কৰা।
- জি আৰ এম লগত প্ৰতিক্ৰিয়াৰ প্ৰদান কৰা আৰু অভিযোগ বন্ধ কৰা।

- অভিযোগকাৰীসকলক অৱগত কৰা উচিত যে—

  - অভিযোগ দাখিল কৰাৰ বাবে কোনো ধৰণৰ প্ৰতিশোধ বা ভয় দেখুৱাব নালাগে।
  - অভিযোগকাৰীসকলৰ বাবে জি আৰ এমৰ প্ৰৱেশ বিনামূলীয়া।
  - জি আৰ এম ন্যায়ালয় ব্যৱস্থাৰ বিকল্প নহয়

- বাৰে বাৰে হোৱা অভিযোগৰ বাবে পৰ্যবেক্ষণ কৰক আৰু সেইবোৰৰ ব্যৱস্থাগত সমাধানৰ বাবে প্ৰকল্প ব্যৱস্থাপনা একক (পিএমইউক) অৱগত কৰক।

  - তথ্য, মতামত আৰু ধাৰণাসমূহৰ মুক্ত আৰু সৎ আদান-প্ৰদানক লাভান্বিত কৰা পৰিৱেশ প্ৰদান কৰা।

**জি আৰ এম দুটা স্তৰৰ সমিতিৰে গঠিত হ'ব:**

টায়াৰ ১ – ক্ষেত্ৰ পৰ্যায়ত কাম কৰে ।

টায়াৰ ২ – প্ৰকল্প ব্যৱস্থাপনা ইউনিট (পিএমইউ) / মুখ্য কাৰ্যালয় পৰ্যায়ত কাৰ্য্যসমূহ ।

প্ৰকল্প জিলাসমূহত প্ৰথম স্তৰ (Tier-1) অভিযোগ নিৰাময় ব্যৱস্থা সমিতি (GRC) ৰ সদস্যসকল আৰু তেওঁলোকৰ যোগাযোগৰ বিৱৰণ।

• জখলাবন্ধা এলেকাৰ বাবে প্ৰথম স্তৰ (Tier-1) অভিযোগ নিষ্পত্তি সমিতিৰ (GRC) সদস্যসকলৰ বিৱৰণ:

| ক্ৰমিক নং | বিষয়া সকল | পদত অধিষ্ঠিত বিষয়াৰ নাম | যোগাযোগ নং | পদবী |
|---|---|---|---|---|
| ১ | উপ-মহাব্যৱস্থাপক, তেজপুৰ টি এণ্ড টি চক্ৰ (প্ৰকল্প কৰ্তৃপক্ষ) | শ্ৰী লোহিত কৃষ্ণ বৰা | ৯৪৩৫১৮৮৯৩১ | সভাপতি |
| ২ | চক্ৰ বিষয়া, কলিয়াবৰ ৰাজহ চক্ৰ | শ্ৰী নীতিশ বৰা | ৮৬৩৮৯৭৫৬২৯ | উপ-সভাপতি |
| ৩ | সহকাৰী মহাব্যৱস্থাপক, ২২০ কেভি সামুগুৰি জি এছ এছ, এ ই জি চি এল (প্ৰকল্প ব্যৱস্থাপক) | শ্ৰী বিক্ৰম বৰদলৈ | ৯৪৩৫৫৫৮৫৪৫ | সদস্য |
| ৪ | মুখ্য পৰিষদ, কলিয়াবৰ আঞ্চলিক পঞ্চায়ত | শ্ৰী যতীন্দ্ৰ নাথ বৰা | ৯১০১৫৬০৬০০ | সদস্য |
| ৫ | সভাপতি, জখলাবন্ধা গাঁও পঞ্চায়ত | শ্ৰী তৃষ্ণা শইকীয়া | ৯৮৫৪৪৪৭৩০৭ | সদস্য |
| ৬ | উপ-সভাপতি, ভোতাই পাঠাৰী গাঁও পঞ্চায়ত | শ্ৰী ভূপেন বৰা | ৯৭০৬৯৪৭৮২১ | সদস্য |
| ৭ | গাঁও মহিলা প্ৰতিনিধি | শ্ৰী মিনালী বৰা | ৯১২৭২২০১১৩ | সদস্য |

| | | | | |
|---|---|---|---|---|
| ৮ | সদস্য, সদৌ অসম গোৰ্খা ষ্টুডেণ্ট ইউনিয়ন (এ এ জি এছ ইউ) কেন্দ্ৰীয় সমিতি | শ্ৰী লেখনাথ শৰ্মা | ৯৭০৬৪৮০০৬৫ | সদস্য |
| ৯ | সাধাৰণ সম্পাদক, সদৌ অসম গোৰ্খা ষ্টুডেণ্ট ইউনিয়ন (এ এ জি এছ ইউ, কলিয়াবৰ কেন্দ্ৰীয় শাখা | শ্ৰী প্লাবন বৰা | ৭০০২২০০৮৩৯ | সদস্য |
| ১০ | এনজিঅ' কৰ্মী | শ্ৰী পুষ্পা পল বৰুৱা | ৯৯৫৭৯৯৫০২৩ | সদস্য |
| ১১ | পৰিৱেশ আৰু সামাজিক বিশেষজ্ঞ, পি এম ইউ | শ্ৰী দিব্য জ্যোতি বৰুৱা | ৯৮৫৪৩৩৯২২৮ | সদস্য |
| ১২ | বাসিন্দা অভিযন্তা, এ ই জি চি এল | শ্ৰী বিক্ৰম বৰদলৈ | ৯৪৩৫৫৫৮৫৪৫ | সদস্য |
| ১৩ | ই পি চি কন্ট্ৰাক্টৰৰ প্ৰতিনিধি | শ্ৰী বসুদেৱ দাস | ৮৭৬১৮১৬৬১ ৮ | সদস্য |

## দ্বিতীয় স্তৰ (Tier II): দ্বিতীয় স্তৰৰ অভিযোগ নিষ্পত্তি সমিতিৰ গঠন

| ক্ৰমিক নং. | পদবী | সমিতিত অৱস্থান | যোগাযোগ ঠিকনা | | ৱেবছাইট আৰু ই-মেইল আইডি |
|---|---|---|---|---|---|
| ১ | মুখ্য মহাব্যৱস্থাপক (পি পি এণ্ড ডি),এ ই জি চি এল | সভাপতি | অসম বিদ্যুৎ গ্ৰিড নিগম লিমিটেড (এ ই জি চি এল) প্ৰথম মহলা, বিজুলী ভৱন, গুৱাহাটী – ৭৮১০০১ | **যোগাযোগ নং:** ০৩৬১-২৭৩৯৫২০ | Website: www.aegcl.co.in Mail Id: gm.eap@aegcl.co.in |
| ২ | প্ৰকল্প নিৰ্দেশক (ই এ পি) প্ৰকল্পসমূহ, এ ই জি চি এল | উপ-সভাপতি | | **মোবাইল নং:** ৯৮৫৯১৮১৬৪০ | |
| ৩ | উপ-মহাব্যৱস্থাপক (ই এ পি), পি এম ইউ, এ ই জি চি এল | সদস্য | | **মোবাইল নং:** ৭০০২৬৪৯০১২ | |
| ৪ | পৰিৱেশ আৰু সামাজিক সুৰক্ষা বিশেষজ্ঞ, পি এম ইউ, এ ই জি চি এল | সদস্য | | **মোবাইল নং:** ৯৮৫৪৩৩৯২২ | |
| ৫ | প্ৰকল্প-সম্পৰ্কীয় সহকাৰী মহাব্যৱস্থাপকগণ (ই এ পি), এ ই জি চি এল | সদস্য | | **মোবাইল নং:** ৯৭০৬০৭৮৫৫১ ৯৮৬৪৬০২৭৭৯ ৯৮৬৪৫৭৭৬৭২ | |
| ৬ | সংযুক্ত সচিব (বিদ্যুৎ), অসম চৰকাৰ | সদস্য | অসম চৰকাৰ, বিদ্যুৎ (বৈদ্যুতিক বিভাগ), অসম সচিবালয়, দিশপুৰ, গুৱাহাটী – ৭৮১০০৬ **যোগাযোগ নং:** ০৩৬১-২২৩৭২৬০ | | dy.secy.power@gmail .com |
| ৭ | দলৰ নেতা, পৰিৱেশ বিশেষজ্ঞ আৰু সামাজিক বিশেষজ্ঞ, প্ৰকল্প | সদস্য | ঘৰ নং ১, সনীৰাম বৰা ৰোড, বৰা চাৰ্ভিছ পেট্ৰল পাম্পৰ কাষত, গুৱাহাটী, অসম ৭৮১০০৭ | | aegcl.pmc@feedbackinfra.com |

| ক্ৰমিক নং. | পদবী | সমিতিত অৱস্থান | যোগাযোগ ঠিকনা | ৱেবছাইট আৰু ই-মেইল আইডি |
|---|---|---|---|---|
| | ব্যৱস্থাপনা পৰামৰ্শদাতা (পিএমচি) | | | |

প্ৰকল্পৰ অভিযোগ নিৰাময় ব্যৱস্থাৰ সকলো স্তৰতে অভিযোগ প্ৰতিকাৰ সমিতিৰ সদস্যসকলে জি আৰ এমৰ লক্ষ্যসমূহ ৰক্ষা কৰিব লাগে আৰু সেইবোৰ লাভ কৰিবলৈ চেষ্টা কৰিব লাগে। জি আৰ এমৰ প্ৰধান লক্ষ্যসমূহ হ'ল-

- জি আৰ এম তলত দিয়া চেনেলসমূহৰ জৰিয়তে প্ৰৱেশ কৰিব পাৰি:
- প্ৰকল্পৰ চিন বৰ্ড
- প্ৰকল্প ৰূপায়ণ ইউনিট কাৰ্যালয়/টি এণ্ড টি চাৰ্কল কাৰ্যালয়ত প্ৰদৰ্শন কৰা
- AEGCL ৱেব চাইটত আপলোড কৰিবলৈ

ইয়াৰ লগতে, এছিয়ান ইনফ্ৰাষ্ট্ৰাক্চাৰ ইনভেষ্টমেণ্ট বেংক ই এছ পি ধাৰা ৭৩.২ অনুসৰি, অভিযোগ নিষ্পত্তি ব্যৱস্থা (জি আৰ এম) প্ৰকল্প-সম্পৰ্কীয় অভিযোগসমূহ ফলপ্ৰসূ আৰু স্বচ্ছভাৱে সমাধান কৰিবলৈ নিৰ্মিত। স্পষ্ট কৰা হৈছে যে, অভিযোগ নিৰাময় ব্যৱস্থা (জি আৰ এম) ব্যৱহাৰ কৰাৰ ফলত প্ৰভাৱিত ব্যক্তিসকলৰ বাবে অন্যান্য ন্যায়িক বা প্ৰশাসনিক উপায়সমূহ (যি প্ৰযোজ্য আইন অনুসৰি উপলব্ধ বা বিদ্যমান মধ্যস্থতা/সন্তোষজনক সমাধান প্ৰক্ৰিয়াৰ জৰিয়তে লাভ কৰিব পৰা যায়) লৈ প্ৰৱেশ বা ব্যৱহাৰ বাধাগ্ৰস্ত নহয়।

প্ৰকল্প প্ৰভাৱিত লোকৰ ব্যৱস্থা (পিপিএম) এআইআইবিয়ে স্থাপন কৰিছে যাতে প্ৰকল্প- প্ৰভাৱিত লোকসকলৰ পৰা দাখিল কৰা তথ্যসমূহৰ স্বতন্ত্ৰ আৰু নিৰপেক্ষ পৰ্যালোচনাৰ সুযোগ প্ৰদান কৰা হয়, যিসকলে বিশ্বাস কৰে যে এআইআইবিয়ে ইয়াৰ ইএছপি ৰূপায়ণ কৰাত ব্যৰ্থ হোৱাৰ ফলত তেওঁলোকক বিৰূপ প্ৰভাৱিত হৈছে বা হোৱাৰ সম্ভাৱনা আছে, যেতিয়া তেওঁলোকৰ উদ্বেগসমূহ প্ৰকল্প পৰ্যায়ৰ জিআৰএম বা এআইআইবিৰ পৰিচালনা প্ৰক্ৰিয়াৰ জৰিয়তে সন্তোষজনকভাৱে সমাধান কৰিব নোৱাৰি। পিপিএমৰ বিষয়ে তথ্য এই ৱেবচাইটত উপলব্ধ: https://www.aiib.org/en/policies strategies/operational-policies/policy-on-the-project-affected-mechanism.html

**প্ৰাতিষ্ঠানিক ব্যৱস্থা:** অসম ইন্ট্ৰা-ষ্টেট ট্ৰান্সমিছন ছিষ্টেম এনহান্সমেণ্ট প্ৰকল্প (এ আই এচ টি এচ ই পি) অসম বিদ্যুৎ গ্ৰিড নিগম লিমিটেড (এ ই জি চি এল) দ্বাৰা কাৰ্যকৰী কৰা হৈছে, য'ত আৰ্থিক সহায় প্ৰদান কৰিছে এছিয়ান ইনফ্ৰাষ্ট্ৰাক্চাৰ ইনভেষ্টমেণ্ট বেংক (এ আই আই বি)।

এ ই জি চি এল ৰ ভিতৰত প্ৰকল্প ব্যৱস্থাপনা একক (পি এম ইউ) প্ৰতিষ্ঠা কৰা হৈছে, যাৰ নেতৃত্বত আছে প্ৰকল্প নিৰ্দেশক তথা মুখ্য মহাব্যৱস্থাপক (পি পি এণ্ড ডি)। প্ৰকল্প নিৰ্দেশক প্ৰকল্পৰ পৰিকল্পনা, ৰূপায়ণ আৰু মনিটৰিঙৰ বাবে সমগ্ৰ পৰ্যবেক্ষণ, সমন্বয় আৰু দায়িত্ব বহন কৰে।

প্ৰকল্প ব্যৱস্থাপনা পৰামৰ্শদাতা (পিএমচি) ৰ প্ৰতিবেদন পি এম ইউ লৈ দাখিল কৰা হয়।

পৰিৱেশ আৰু সামাজিক (ই এণ্ড এছ) কৰ্মী এ আই আই বি ৰ দ্বাৰা অৰ্থায়িত প্ৰকল্পসমূহৰ বাবে নিযুক্ত, যাতে সিদ্ধান্ত গ্ৰহণৰ প্ৰক্ৰিয়া সুচল হয় আৰু প্ৰকল্প ৰূপায়ণ আৰু কাৰ্য্য সম্পাদনাত অধিক স্বায়ত্তশাসন প্ৰদান কৰা যায়। এ আই আই বি প্ৰকল্পৰ ই এণ্ড এছ কৰ্মীসকল পি এম ইউ ৰ অংশ, যাৰ নেতৃত্বত প্ৰকল্প নিৰ্দেশক থাকে।

বিভাগীয় পৰ্যায়ত, ই এণ্ড এছ কৰ্মী ৰ দায়িত্ব সংশ্লিষ্ট সহকাৰী মহাব্যৱস্থাপক (এ জি এম) ক দিয়া হয়। এ জি এম সকলে প্ৰতিটি উপ-প্ৰকল্প (উপ-কেন্দ্ৰ আৰু সংশ্লিষ্ট ট্ৰান্সমিছন লাইন) ৰ বাবে প্ৰকল্প ব্যৱস্থাপক হিচাপে কৰ্মৰত থাকিব। এ জি এম সকলে চক্ৰ স্তৰত উপ-মহাব্যৱস্থাপক (ডি জি এম) ৰ পৰ্যবেক্ষণত কাম কৰিব।

**পৰ্যবেক্ষণ আৰু মূল্যায়ন (এম এণ্ড ই) :** এম এণ্ড ই প্ৰণালীৰ জৰিয়তে পি এম ইউ –এ ক্ষেত্ৰ কৰ্মচাৰীসকলৰ পৰা প্ৰতিক্ৰিয়া গ্ৰহণ কৰি প্ৰয়োজনীয় সংশোধনমূলক ব্যৱস্থা গ্ৰহণ কৰিব পাৰে, যাতে প্ৰকল্পৰ লক্ষ্যসমূহ সময়মতে পূৰণ হয়। এই প্ৰণালী প্ৰকল্প ৰূপায়ণৰ সকলো দিশ পৰ্যবেক্ষণ কৰে, বিশেষকৈ টাৱাৰ বেছ এলাকা আৰু ৰাইট অব ৱে (RoW)কৰিডৰসমূহত সীমিত বা অস্থায়ী ভূমি ব্যৱহাৰৰ ক্ষেত্ৰত সময়মতে আৰু ন্যায়সঙ্গত ক্ষতিপূৰণ নিশ্চিত কৰা।পুনৰ সংস্থাপনৰ কাৰ্য্য পৰিকল্পনা (RAP) ৰূপায়ণ প্ৰক্ৰিয়া ঘনিষ্ঠভাৱে পৰ্যবেক্ষণ কৰা হয় যাতে স্বচ্ছতা, ন্যায় আৰু অনুমোদিত পৰিকল্পনা আৰু সময়সূচীৰ সৈতে সঙ্গতি নিশ্চিত হয়। আউটপুট, প্ৰক্ৰিয়া আৰু সংশোধনমূলক ব্যৱস্থা পৰ্যায়ক্ৰমে অনুসৰণ কৰা হয়, যাতে কাৰ্যকৰী প্ৰকল্প ব্যৱস্থাপনাক সহায় কৰা যায়।

**আৰ্থিক ব্যয় (বাজেট):**পুনৰ সংস্থাপনৰ কাৰ্য্য পৰিকল্পনা (RAP) ৰূপায়ণৰ বাবে অনুমানিত ব্যয়ত অন্তৰ্ভুক্ত আছে — প্ৰভাৱিত ভূমিৰ ক্ষতিপূৰণ, ফচল, গছ, আৰু কাঠামোৰ ক্ষতি, লগতে কাৰ্যকৰণ, মনিটৰিং, প্ৰতিবেদন তৈয়াৰ কৰা, প্ৰশাসনিক কাৰ্য্য, অন্যান্য সহায়, অভিযোগ নিষ্পত্তি ব্যৱস্থা (জি আৰ এম), জনসাধাৰণৰ পৰামৰ্শ আদিৰ বাবে প্ৰয়োজনীয় খৰচ।

বাজেট বণ্টন ভাৰত চৰকাৰৰ শক্তি মন্ত্ৰালয়ৰ নতুন নিৰ্দেশিকা (Ref No. 3/4/2016-Trans-Part (4) dated 14.06.2024) আৰু অসম চৰকাৰৰ শক্তি বিভাগৰ বিজ্ঞপ্তি তাৰিখ ০৪.১১.২০২৪ অনুসৰি নিৰ্ধাৰণ কৰা হ'ব।

- টাৱাৰ বেছ এলাকাৰ ক্ষতিপূৰণ — ভূমিৰ মূল্যৰ ২০০%, য'ত টাৱাৰৰ চাৰিটা ভৰিৰে আবৃত ভূমি আৰু প্ৰত্যেক দিশত ১ মিটাৰ বঢ়োৱা এলাকা ধৰা হৈছে।
- ৰাইট অব ৱে (RoW) কৰিডৰৰ ক্ষতিপূৰণ — ভূমিৰ মূল্যৰ ৩০%, কেন্দ্ৰীয় বিদ্যুৎ কৰ্তৃপক্ষৰ (বৈদ্যুতিক উদ্যান আৰু বৈদ্যুতিক লাইন নিৰ্মাণৰ কাৰিকী মান) নিয়মাৱলী, ২০২২ ৰ সূচী VII অনুসৰি।

২২০ কেভি ছিংগল ছাৰ্কিট (এচ/চি) সামুগুৰি –মৰিয়ানী লাইন-১ জাখলাবান্ধা উপকেন্দ্ৰ (পেকেজ-এ) ৰ বাবে অনুমানিত মুঠ বাজেট — **ভাৰতীয় টকা: ১,৩৫,০৬,৩৫৬/-**।